**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ৩৫৭/২০২০**

**চন্দ্ৰপুৰৰ মহিলা আত্মসহায়ক গোটৰ মাস্ক উৎপাদন কেন্দ্ৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে**

**ক'ভিড-১৯ৰ ঔষধ আৰু প্ৰতিষেধক আৱিষ্কাৰ নোহোৱা পৰ্যন্ত সকলোৱে সন্মিলিতভাৱে দৃঢ়তাৰে যুঁজ চলাই যাব লাগিব ঃ মুখ্যমন্ত্ৰী**

## ক'ভিড-১৯ৰ ৰোগীৰ সংখ্যা দেখি কোনেও আতংকিত হ'ব নালাগে ঃ মুখ্যমন্ত্ৰী

**লক ডাউনৰ সময়ছোৱাত 'অসমী' ব্ৰেণ্ডৰ মাস্ক বিক্ৰীৰে ৰাজ্যৰ আত্মসহায়ক গোটসমূহে ৭.১৫ কোটি টকা আহৰণ কৰিবলৈ সক্ষম হৈছে**

**দিছপুৰ, ১৪ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম ৰাজ্যিক গ্ৰামীণ অভিযানৰ অন্তৰ্গত কামৰূপ মহানগৰ জিলা আৰু চন্দ্ৰপুৰ খণ্ড অভিযান পৰিচালনা গোটৰ আত্মসহায়ক গোটসমূহৰ দ্বাৰা পৰিচালিত চন্দ্ৰপুৰৰ তাতীমৰাস্থিত মাস্ক উৎপাদন কেন্দ্ৰ পৰিদৰ্শন কৰি এই কাৰ্যত জড়িত হৈ থকা আত্মসহায়ক গোটৰ সদস্যাসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি তেওঁলোকক উৎসাহিত কৰে। মুখ্যমন্ত্ৰীয়ে আত্মসহায়ক গোটৰ সদস্যাসকলক মাস্ক উৎপাদনৰ দৰে কাম-কাজ নিষ্ঠাৰে পালন কৰি ক'ভিড-১৯ সংক্ৰমণ প্ৰতিহত কৰাৰ দিশত তেওঁলোকে বলিষ্ঠ অৰিহণা আগবঢ়াই আছে বুলিও কয়।

উল্লেখ্য যে ক'ৰণা ভাইৰাছৰ সংক্ৰমণৰ পিছৰে পৰা ৰাজ্যখনৰ ১০,৬৫৯ টা আত্ম সহায়ক গোটৰ মহিলা সদস্যাই এতিয়ালৈকে সৰ্বমুঠ ৫১,২৩,১৯৪ টা মাস্ক প্ৰস্তুত কৰিছে। ইতিমধ্যে ইয়াৰে ৩১,৭১,৩১৪ টা মাস্ক বিক্ৰী কৰা হৈছে। এতিয়ালৈকে অসমৰ ৩৩ খন জিলাত ৮৪ খন মাস্কৰ বিপনী খোলা হৈছে আৰু 'অসমী' ব্ৰেণ্ডেৰে নামাকৰণ কৰা এই মাস্ক বিক্ৰী কৰি আত্মসহায়ক গোটসমূহে ৭.১৫ কোটি টকা আহৰণ কৰিবলৈ সক্ষম হৈছে। তদুপৰি ৪,২২,৬২৫ খন মাস্ক বিনামূলীয়াভাৱে বিতৰণ কৰা হৈছে।

পৰিদৰ্শনৰ পিছত উৎপাদন কেন্দ্ৰ চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ৰ ঔষধ আৰু প্ৰতিষেধক আৱিষ্কাৰ নোহোৱা পৰ্যন্ত আমি সকলোৱে এই যুঁজ দৃঢ়তাৰে চলাই যাব লাগিব। আমি সকলোৱে যি কামেই নকৰো কিয় আমাৰ কৰ্মস্থলীত সামাজিক দূৰত্ব তথা নিজকে পৰিষ্কাৰ কৰি ৰাখি মুখত মাস্ক পৰিধান কৰিব লাগিব। এই নীতি নিয়ম মানি চলিলেহে প্ৰতিগৰাকী ব্যক্তিৰ লগতে আমাৰ সমাজ সুৰক্ষিত হৈ থাকিব। স্বাস্থ্য বিভাগে প্ৰদান কৰা নীতি-নিয়মসমূহ আমি সকলোৱে মানৱীয় তথা সামাজিক দায়িত্ব হিচাপে গ্ৰহণ কৰা উচিত বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰথম, দ্বিতীয় তথা বৰ্তমানে চলি থকা তৃতীয় পৰ্যায়ৰ লক ডাউনৰ সময়ছোৱাত দেশৰ বিভিন্ন প্ৰান্তত আবদ্ধ হৈ থকা ৰাজ্যখনৰ জনসাধাৰণক অসমলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি ইয়াক এক ডাঙৰ প্ৰত্যাহ্বান বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বাহিৰৰ পৰা অহা লোকসকলে যদি স্বাস্থ্য বিভাগে নিৰ্দ্ধাৰণ কৰা নীতি-নিয়মসমূহ সম্পূৰ্ণভাৱে মানি চলে তেতিয়া হ'লে এইখন সমাজ সদায়ে সুস্থ আৰু সবল হৈ থাকিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

কালি গুৱাহাটীত কেইবাগৰাকীও লোকৰ শৰীৰত ক'ভিড-১৯ ধৰা পৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াক লৈ গুৱাহাটীবাসীৰ লগতে অসমৰ ৰাইজে কোনো কাৰণতে ভয় খাব নালাগে বুলিও

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

কয়। আমি সকলোৱে যদি স্বাস্থ্য বিভাগে প্ৰদান কৰা নিৰ্দেশনা সম্পূৰ্ণৰূপে মানি চলো, তেতিয়া হ'লে এই ৰোগ প্ৰতিহত কৰিব পাৰিম বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই জটিল সময়ত প্ৰত্যেকেই এজনে আন জনৰ প্ৰতি শ্ৰদ্ধাশীল হৈ কাম কৰাৰ বাবেও আহ্বান জনায়। ৰোগক ঘৃণা কৰিলেও কোনো কাৰণতে ৰোগীক ঘৃণা কৰিব নালাগে বুলি উল্লেখ কৰি ক'ভিড আক্ৰান্ত ৰোগীকো আমি যিমান পাৰো উন্নত মানদণ্ডৰ সেৱা আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্বাস্থ্য বিভাগে দিয়া নিৰ্দেশনা সম্পূৰ্ণভাৱে মানি চলাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ক'ৰণা ভাইৰাছৰ ৰোগীৰ সংখ্যা দেখি কোনোৱে আতংকিত হ'ব নালাগে বুলি উল্লেখ কৰি আমি সকলোৱে মিলি এই যুঁজত জয়ী হ'ব পাৰিম বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেও উপস্থিত থাকে।

**ৰংভাঃ**
**১৪/৫/২০২০**